ISSN-2278-3466

# THE QUEST

Vol. XI, December, 2018

A Bilingual Research Journal of
Jorhat College Teachers' Unit

*Editors*

**Dr. Jyotirmoi Bordoloi**
**Dr. Gitartha Goswami**

*The Quest* : A Peer Reviewed bilingual (Assamese & English) Research Journal of Jorhat College Teachers' Unit

ISSN : 2278-3466

Price : 300/-

**Editotial Board** :

**Advisors** : **Dr Madan M Sarma,**
Ex V.C., Professor
Department of EFL, Tezpur University

**Dr. Mukul Kumar Sarma**
Ex. Prof. & H.O.D., of Education,
Dibrugarh Unoversity

**Dr. Upen Rabha Hakasham,**
Formerly H.O.D., Professor, Department,
of Assamese Gauhati University

**Editors** : **Dr Jyotirmoi Bordoloi**
**Dr. Gitartha Goswami**

**Members** : **Mrs. Rupamoni Dutta**
**Mr. Utpal Dutta**
**Mrs Monisha Duarah**
**Mr. Ranjit Kumar Hazarika**
**Mr. Kushal Kumar Das**
**Mrs. Jutimali Saikia**
**Dr. Diganta Kr. Phukan**

**Printed at** : Lipi Offset
Baruah Chariali, Jorhat

**Address :** M.G. Road, Na-ali, Jorhat, Assam. Pin -785001
**E-mail :** tujorhatcollege@gmail.com
**Website : www.jorhatcollege.org**

# Contents


- Relevance of Rabindranath Tagore's Ideas in the Present Context of India / 8
  **Jutimali Saikia and Minoti Gogoi**
- Ecotourism in Majuli Prospects and Problems / 21
  **Dr. Mouchumi Mahanta**
- Teaching along with Systematic Instruction of Language Learning Strategies: A Proposal for the English Class / 40
  **Subhrajyoti Chanda**
- Peace-keeping, Peace-making and Peace-building: A Brief Overview / 53
  **Bidyut Bora**
- The 'Still Point' in Eliot's Burnt Norton; an Analysis / 66
  **Dr Gitartha Goswami**
- A Study of the Vendor's Perspective and their Issues on the Weekly Haat in Delhi / 79
  **Dr. Jagat Jyoti Barua, Dr. Anju Bharti, Dr.Charu Mohla, Dr. Gaurav Aggarwal**
- Trends In Policy Perspective In Financing In Higher Education In India / 90
  **Manash Pratim Neog**
- Feminization of Poverty : A Study on Female Headed Household of Titabar Subdivision / 99
  **Akashi Boruah**
- Women In Ancient India / 116
  **Anindita Das**
- ভাগৱত পুৰাণ আৰু কীৰ্তন ঘোষা'ৰ 'ৰাসলীলা' আখ্যানৰ তাৎপৰ্য বিশ্লেষণ / 130
  **কুশল কুমাৰ দাস**
- যোৰহাটত আধুনিক শিক্ষাৰ ক্ৰমবিকাশ / 138
  **ড° সৌমিত্ৰ পূজাৰী**
- ভাষাবিজ্ঞান আৰু প্ৰায়োগিক ভাষাবিজ্ঞান : এটি আলোকপাত / 148
  **ড° জ্যোতিৰ্ময় বৰদলৈ**
- নাগালেণ্ডৰ কিফিৰে আৰু ফেক্ জিলাৰ পৰ্যটন : এটি আলোচনা / 163
  **তৰুণ নহিং**

# নাগালেণ্ডৰ কিফিৰে আৰু ফেক্ জিলাৰ পৰ্যটন ঃ এটি আলোচনা

**তৰুণ দহিং**
অসমীয়া বিভাগ

ভাৰতবৰ্ষৰ উত্তৰ-পূৰ্ব প্ৰান্তত থকা এখন ৰাজ্য হৈছে নাগালেণ্ড। সেউজীয়া পাহাৰীয়া উপত্যকা, হাবি-বন-বাঁহনি, জীপাল কৃষিভূমি, বিভিন্ন প্ৰকাৰৰ ঔষধি উদ্ভিদ তথা দৈয়াং, ধনশিৰি, তিখু, মিলাক, টিজু, জুংকি আদি নদীৰে পৰিবেষ্টিত নাগালেণ্ড ৰাজ্যই ভাৰতবৰ্ষৰ উপৰি সমগ্ৰ বিশ্বৰ পৰ্যটন মানচিত্ৰত বিশেষভাৱে ঠাই পাবলৈ সক্ষম হৈছে। সাংস্কৃতিক দিশত অত্যন্ত চহকী নাগালেণ্ডৰ প্ৰতিটো জনজাতিয়ে স্বকীয় সাংস্কৃতিক পৰম্পৰা ৰক্ষা কৰাত সচেতনতা অৱলম্বন কৰা দেখা যায়। ১৯৬৩ চনৰ পহিলা ডিচেম্বৰত নাগালেণ্ড ৰাজ্যই ভাৰতবৰ্ষৰ ষোড়শ (Sixteenth) ৰাজ্য হিচাপে স্বীকৃতি লাভ কৰে। ষোল্ল হাজাৰ পাঁচশ ঊনাশী বৰ্গ কিলমিটাৰ (১৬,৫৭৯) ভূমিৰে পৰিবেষ্টিত নাগালেণ্ডৰ উত্তৰ আৰু পশ্চিমে অসম, পূবে ম্যানমাৰ আৰু অৰুণাচল প্ৰদেশ আৰু দক্ষিণে মণিপুৰ ৰাজ্যই আগুৰি আছে।

উনৈশ লাখতকৈ অধিক জনসংখ্যাৰে পৰিপূৰ্ণ নাগালেণ্ডত প্ৰধানকৈ ১৬টা জনজাতিয়ে বসবাস কৰি আছে। এই ১৬ টা জনজাতি হৈছে — আংগামী, ৰেংমা, জেলিয়াং, কুকি, কছাৰী, চাখেচাং, পচুৰি, চাং, আও, কন্যাক, ফ'ম, খিয়ামনুংগান, য়িমচুংগ্ৰু, চাংতাম, লোথা আৰু চুমি। নাগালেণ্ডৰ প্ৰতি বৰ্গ কিলমিটাৰত জনসংখ্যাৰ ঘনত্ব হৈছে এশ বিশজন। নাগালেণ্ডৰ এঘাৰখন জিলা ক্ৰমে মন, লংলেং, মোকক্চাং, টুৱেনচাং, জুনহেবুট, কিফিৰে, ওখা, ফেক, কোহিমা, ডিমাপুৰ আৰু পেৰেনত মুঠ বাৱনটা উন্নয়ন খণ্ড আছে। উল্লেখযোগ্য যে নাগালেণ্ডত জানুৱাৰী মাহৰ পৰা ডিচেম্বৰ

মাহটোলৈকে (মাৰ্চ আৰু জুন মাহৰ বাদে) কেৱল উৎসৱৰ পৰ্যটক দেখিবলৈ পোৱা যায়। নাগালেণ্ডৰ ৰাজধানী কোহিমাৰ ওচৰৰ 'কিছামা নাগা হেৰিটেজ ভিলেজ'ত প্ৰতিবছৰে ডিচেম্বৰ মাহৰ এক তাৰিখৰ পৰা দহ তাৰিখলৈকে বিখ্যাত 'আন্তৰ্জাতিক হৰ্নবিল মহোৎসৱ' অনুষ্ঠিত হয়।

**পদ্ধতি :**

প্ৰধানকৈ প্ৰবন্ধটিত বিশ্লেষণাত্মক পদ্ধতি প্ৰয়োগ কৰা হৈছে। মূলতঃ দ্বিতীয়ক তথ্যৰ ওপৰত ভিত্তি কৰি প্ৰবন্ধটো প্ৰস্তুত কৰোঁতে নাগালেণ্ড চৰকাৰৰ পৰ্যটন বিভাগে প্ৰস্তুত কৰা গ্ৰন্থসমূহৰ সহায় লোৱা হৈছে।

নাগালেণ্ডৰ এখন অন্যতম পৰ্যটনৰ সমলেৰে ভৰপূৰ জিলা হৈছে কিফিৰে। এই কিফিৰে জিলাত বসবাস কৰা প্ৰধান জনজাতিকেইটা হৈছে — য়িমচুংৰু, চাংটাম আৰু চুমি নাগা। ইয়াত থকা প্ৰতিটো জনজাতিয়ে এশ বছৰতকৈও পূৰ্বে থিতাপি লোৱাৰ ঐতিহাসিক তথ্য পোৱা যায়। তলত কিফিৰে আৰু ফেক্ জিলাৰ পৰ্যটনস্থলীসমূহৰ বিষয়ে চমুকৈ আলোচনা কৰা হ'ল —

**শাৰামতী শৃংগ (Saramati Peak) :**

নাগালেণ্ড-ম্যানমাৰ সীমান্তত থকা শাৰামতী শৃংগই হৈছে নাগালেণ্ডৰ সবাতোকৈ ওখ শৃংগ। সাগৰপৃষ্ঠৰ পৰা ৩৮৪১ মিটাৰ উচ্চতাত থকা শৃংগটো শীতকালত বৰফেৰে আবৃত হৈ থাকে। পাহাৰটোৰ চৌদিশে ৰাস্তাৰ কাষে কাষে থকা Rhododendron ফুলে (এবিধ উজ্বল ফুল থকা গছ) শৃংগটোৰ সৌন্দৰ্যত সুৱগা চৰায়। শাৰামতী যাবলৈ হ'লে পুংৰে' (Pungro) বা শালুমি (Salumi) গাঁৱৰ পৰা খোজকাঢ়ি যাব লাগে। পুংৰে' আৰু শালুমি গাঁৱৰ লোকসকলৰ আতিথ্য অতি সুন্দৰ। ট্ৰেকিং কৰি ভাল পোৱাসকলৰ বাবে শাৰামতী শৃংগ উত্তম ঠাই বুলিব পাৰি।

**কেভাৰছ্ ডিলাইট (Cavers' Delight) :**

পুংৰে' নগৰৰ সমীপৰ শালুমি গাঁৱৰ কাষতে এটা ডাঙৰ গুহা দেখিবলৈ পোৱা যায়। গুহাটো কেইবাটাও দিশৰ পৰা ওলাব-সোমাব পৰা যায়। গুহাটোৰ ভিতৰলৈ সোমাই গ'লে চাৰি ডায়েমিটাৰৰ এটা ছিদ্ৰ দেখিবলৈ পোৱা যায়। গুহাটোৰ

ISSN : 2278-3466

উত্তৰ জয়াল পৰিবেশে পৰ্যটকক আইন এখন জলাশয়ৰ সম্ভেদ দিয়ে। লানুৰি গাঁৱৰ লোকসকলে ক'ব খোজে যে গুহাটোৰ টৈতে লিকিম্ৰ' (Likimro) নদীৰ এক সংযোগস্থল আছিল। মিমি গাঁৱৰ পৰা এঘণ্টা খোজ কঢ়াৰ পিছত আন চাৰিটা গুহাও সেই অঞ্চলটোত দেখিবলৈ পোৱা যায়।

থানামিৰ (Thanamir) ঃ

থানামিৰ গাঁওক 'আপেল গাঁও' (Apple Village) নামেৰেও জনা যায়। প্ৰতিবছৰে ছেপ্টেম্বৰ মাহত থানামিৰত 'আপেল মহোৎসৱ' উদ্‌যাপন কৰা হয়। থানামিৰক বিভাগে অতি শীঘ্ৰেই পৰ্যটনস্থলী হিচাপে চিনাক্ত কৰা হৈছে।

সুখায়াপ / প্ৰেমিকৰ স্বৰ্গ (Sukhayap or Lovers' Paradise) ঃ

মিমি গাঁৱৰ উত্তৰ দিশত এই প্ৰেমিকৰ স্বৰ্গ (যাক স্থানীয় ভাষা সুখায়াপ বুলি কোৱা হয়) পোৱা যায়। উক্ত ঠাইলৈ যাবলৈ হ'লে জংঘলৰ মাজেৰে বগাইহে যাব পাৰি। অত্যন্ত ডাঙৰ আকাৰৰ শিল বগাই যাব লাগে বাবে কোনো বন্য জীৱ-জন্তু সেই ঠাইলৈ যাব নোৱাৰে। সমাজচ্যুত হোৱা এহাল প্ৰেমিক-প্ৰেমিকাক সেই ঠাইত নিৰ্বাসন দিয়া হৈছিল বুলি স্থানীয় জনশ্ৰুতি আছে।

ৱাৱাদে (Wawade) ঃ

মিমি আৰু থকা গাঁৱৰ মাজত থকা প্ৰায় দুশ ফুট উচ্চতাৰ এই জলপ্ৰপাতটি পৰ্যটকৰ অন্যতম আকৰ্ষণৰ কেন্দ্ৰ। এই জলপ্ৰপাতটি ফেক্ জিলাৰ লানুৰি গাঁৱৰ পৰাও দেখিবলৈ পোৱা যায়। মিমি গাঁৱৰ পৰা প্ৰায় আধা ঘণ্টা খোজৰ পিছত এই জলপ্ৰপাতটি পোৱা যায়। অন্যান্য তিনিটা সৰু-সুৰা জলপ্ৰপাত অঞ্চলটিৰ আশে-পাশে পোৱা যায়।

ফকিম অভয়াৰণ্য (Fakim Wildlife Sanctury) ঃ

ফকিম গাঁৱৰ কাষতে থকা নাগালেণ্ডৰ এখন উল্লেখযোগ্য অভয়াৰণ্য হৈছে ফকিম অভয়াৰণ্য। প্ৰায় ৬৪২ হেক্টৰ ভূমিত পৰিবেষ্টিত এই অভয়াৰণ্যখন ১৯৮৩ চনত নাগালেণ্ড চৰকাৰে স্বীকৃতি দিছিল। ম্যানমাৰ সীমান্তৰেখাৰে পৰিবেষ্টিত এই অভয়াৰণ্যখনিৰ সৌন্দৰ্য্যও কেনেও ন'কলনীয়া। বিভিন্ন প্ৰকাৰৰ গছ-গছনি, জীৱ-

ISSN : 2278-3466

জন্তু, ঔষধি গুণযুক্ত উদ্ভিদেৰে পৰিপূৰ্ণ এই অভয়াৰণ্যখনি সকলোৰে বাবে আকৰ্ষণীয় পৰ্যটনস্থলী।

পৰ্যটনৰ সমলেৰে পৰিপূৰ্ণ নাগালেণ্ডৰ আন এখন জিলা হৈছে ফেক্ জিলা। ফেক্ জিলাত প্ৰধানকৈ চাখেচাং আৰু পচুৰি নাগাসকলে বসবাস কৰে। চাখেচাং তিনিটা উপ-জাতিৰ সমষ্টি — চাখ্ৰু, খেজা আৰু চাংতোম। এই জিলাৰ লোকসকল মল্লযুদ্ধত অত্যন্ত পাকৈত হোৱাৰ লগতে খুব শক্তিশালী হিচাপেও পৰিচিত। ফেক্ জিলাৰ মনোমোহা হেলনীয়া কৃষিভূমি (Terrace Cultivation) আৰু সেউজীয়া ধাননিৰ সৌন্দৰ্যই পৰ্যটকক আকৰ্ষণ কৰে। তেওঁলোকে কৰা হেলনীয়া কৃষিকাৰ্যই এক নৈপুণ্যতাৰ পৰিচয় বহন কৰে।

**ফুটছেৰ' (Pfutsero) ঃ**

নাগালেণ্ডৰ ৰাজধানী কোহিমা জিলাৰ পৰা প্ৰায় সত্তৰ কিলোমিটাৰ নিলগত ফুটছেৰ' নামৰ সৰু নগৰখন অৱস্থিত। সাগৰ পৃষ্ঠৰ পৰা ২২৩৩ মিটাৰ উচ্চতাত অৱস্থিত ফুটছেৰ' এটা উন্নয়ন খণ্ড হিচাপেও পৰিচিত। শীতকালত ৰাতি ইয়াৰ তাপমাত্ৰা 'শূন্য' ডিগ্ৰীতকৈও তললৈ অৱনমিত হয়। ফুটছেৰ'ত যথেষ্ট পৰিমাণে শাক-পাচলি আৰু ফল-মূলৰ খেতি হয়। ফুটছেৰ'ক দক্ষিণ পূব এছিয়াৰ প্ৰৱেশ পথ (Gateway of South East Asia) বুলিও জনা যায়।

**গ্লৰি শৃঙ্গ (Glory Peak) ঃ**

ফুটছেৰ' নগৰৰ পৰা তিনি কিল'মিটাৰ নিলগত এই গ্লৰি শৃঙ্গ অৱস্থিত। সাগৰ পৃষ্ঠৰ পৰা ২৬০০ মিটাৰ উচ্চতাত অৱস্থিত এই গ্লৰি শৃঙ্গৰ পশ্চিম দিশৰ পৰা মাউণ্ট এভাৰেষ্ট আৰু পূব দিশৰ পৰা নাগালেণ্ডৰ সৰ্বোচ্চ শৃঙ্গ শাৰামতী দেখা পোৱা যায়। নাগালেণ্ড চৰকাৰৰ উদ্যোগত গ্লৰি শৃংগত এটা 'ইক' ল'জ' নিৰ্মাণ কৰা হৈছে। গ্লৰি শৃংগৰ পৰা কাপামাড্জু শৃংগলৈ (Kapamadzu Peak) যাব পৰা যায়। কাপামাড্জু হৈছে নাগালেণ্ডৰ সৰ্বোচ্চ সমতলীয় পাহাৰ (Table Top Mountain) দুঃসাহসিক ক্ৰীড়াবিদে এই অঞ্চলটোত নিজাববীয়াকৈ অনেক দুঃসাহসিক ক্ৰীড়া বাছি ল'ব পাৰে। কাপামাড্জুক স্থানীয় লোকে 'দ্বিতীয় জুক' ভেলী' বুলি ক'ব খোজে।

ISSN : 2278-3466

**খেজাকেনʼ গাঁও (Khezakeno Village) ঃ**

কোহিমাৰ পৰা ৫৫ কিলʼমিটাৰ দক্ষিণ দিশত খেজাকেনʼ গাঁও অৱস্থিত। ৩৯ নং ৰাষ্ট্ৰীয় ঘাইপথেদি কোহিমা-মণিপুৰ পথত নাগালেণ্ড আৰু মণিপুৰ সীমান্তত মাও নামৰ এখন ঠাই পোৱা যায়। এই মাও পাৰ হৈ টাডুবি (Tadubi) নামৰ এটা সৰু চেণ্টাৰ পোৱা যায়। টাডুবি হৈও খেজাকেনʼ গাঁৱলৈ যাব পাৰি। 'খেজাকেনʼ টুৰিষ্ট ভিলেজʼত থকা-খোৱাৰ সু-ব্যৱস্থা আছে। সাগৰ পৃষ্ঠৰ পৰা ১৫৫০ মিটাৰ উচ্চতাত থকা গাঁওখনে নাগাসকলৰ অনেক ইতিবৃত্তৰ সাক্ষ্য বহন কৰে। খেজাকেনʼ গাঁৱক 'নাগাসকলৰ পিতামহ গাঁও' (Ancestral Village of Nagas) বুলি কোৱা হয়।

**মেলুৰি (Meluri) ঃ**

পচুৰি নাগাসকলৰ মুখ্য নিবাস মেলুৰি নগৰখন প্ৰাকৃতিক সৌন্দৰ্যৰে ভৰপুৰ। মেলুৰি মহকুমাৰ অন্তৰ্গত ভাৰত-ম্যানমাৰ সীমান্তত থকা আভাংখুং (Abhankhung) গাঁৱলৈ ম্যানমাৰৰ পৰা অনেক ম্যানমাৰী নাগাই বজাৰ কৰিবলৈ আহে। মেলুৰি গাঁৱৰ বেতৰ শিল্প আৰু ধনতে প্ৰস্তুত কৰা নিমখৰ বাবেও এই অঞ্চলটো বিখ্যাত।

**জুডু হ্ৰদ (Dzudu Lake) আৰু জানিবু শৃংগ (Zanibu Peak) ঃ**

ফেক জিলাৰ আন দুটি আকৰ্ষণীয় পৰ্যটনৰ ঠাই হৈছে জুডু হ্ৰদ (Dzudu Lake) আৰু জানিবু শৃংগ (Zanibu Peak)। জুডু হ্ৰদত অতি প্ৰাকৃতিক পৰিঘটনাৰ কথা অঞ্চলবাসীয়ে বিশ্বাস কৰে বাবে হেৰুৱালোকে পেলনীয়া সামগ্ৰী হ্ৰদটোত নেপেলায়। জুডু হ্ৰদৰ পিছফালেই জানিবু পাহাৰ আৰু শৃংগ পোৱা যায়। সাগৰ পৃষ্ঠৰ পৰা ২৫২৬ মিটাৰ উচ্চতাত থকা জানিবু শৃংগৰ পৰা মাউণ্ট এভাৰেষ্ট তথা সমগ্ৰ নাগালেণ্ডখন দেখা পোৱা যায়। মহখন চাখেচাং নাগাৰ গাঁও জানিবু পাহাৰৰ আশে-পাশে বসবাস কৰি আছে।

**শিলই হ্ৰদ (Shilloi Lake) ঃ**

ফেক জিলাৰ অন্যতম এক আকৰ্ষণীয় পৰ্যটনৰ স্থল হৈছে শিলই হ্ৰদ। কোহিমাৰ পৰা তিনিশ কিলʼমিটাৰ তথা মেলুৰিৰ পৰা ১২৫ কিলʼমিটাৰ নিলগত থকা শিলই হ্ৰদটো আকাশৰ পৰা পদচিহ্নৰ দৰে দেখি। স্থানীয় লোকসকলে শিলই

হ্ৰদক লাট্‌ছাম (Latsam) বুলি কয়। ইংৰাজসকলে শিলই হ্ৰদক শিলয় বুলি উচ্চাৰণ কৰিছিল যদিও সকলোৱে শিলই নামেৰেই ব্যৱহাৰ কৰা দেখা যায়। চৌদিশে ওক গছেৰে (Oak Tree) পৰিপূৰ্ণ শিলই হ্ৰদৰ (Shilloi Lake) আয়তন ২৫০-৩০০ বৰ্গমিটাৰ। শিলৰ পাহাৰেৰে আবৃত শিলই হ্ৰদৰ সৌন্দৰ্য অতি মনোমোহা।

**সামৰণি ঃ**

ওপৰৰ আলোচনাৰ পৰা দেখা গ'ল যে প্ৰচুৰ সম্ভাৱনাৰে পৰিপূৰ্ণ কিফিৰে আৰু ফেক্‌ জিলাৰ মনোমোহা পৰ্যটন স্থলীসমূহ পৰ্যটকৰ বাবে অতি আকৰ্ষণৰ ঠাই। বিধ্বস্ত বাট-পথ, যোগাযোগ ব্যৱস্থাৰ অভাৱ, গাঁৱৰ বাসিন্দাসকলৰ পৰ্যটন সম্পৰ্কীয় সঠিক জ্ঞানৰ অভাৱ আদিৰ বাবে উপযুক্ত পৰ্যটন স্থলীসমূহ আজিও অৱহেলিত হৈ পৰি আছে। দক্ষিণ পূব এছিয়াৰ প্ৰৱেশ পথ (Gateway of South East Asia) ফুটছেৰটৈলৈকে বিশেষভাৱে যাতায়তৰ সুব্যৱস্থা কৰিলে ম্যানমাৰ, থাইলেণ্ড, লাওছ, কম্বোডিয়া আদি দক্ষিণ-পূব এছিয়াৰ দেশসমূহৰ সৈতে ভাৰতবৰ্ষৰ অৰ্থনৈতিক বুনিয়াদ অধিক সবল হ'ব বুলি ভাবিবৰ থল আছে। কোহিমা জিলা সদৰটৈলৈকে যদি ৰেলৰ সংযোগ কৰে নাইবা বাট-পথ সুচল কৰে তেন্তে নিঃসন্দেহে কিফিৰে আৰু ফেক জিলাৰ পৰ্যটন স্থলীসমূহে উজ্জীৱিত হৈ উঠিব। ডিমাপুৰৰ পৰা জুবজাটৈলৈকে ৰেল সেৱাৰ ব্যৱস্থা কৰাৰ কথা চলি আছে যদিও আজিও প্ৰকল্পটো আৰম্ভ হোৱা নাই। জুবজাটৈলৈকে ৰেলপথৰ ব্যৱস্থা হৈ গ'লে অতি কম খৰচতে পৰ্যটকসকলে কিফিৰে আৰু ফেক্‌ জিলাৰ পৰ্যটনৰ ক্ষেত্ৰসমূহ চাবলৈ সুবিধা হ'ব। এইক্ষেত্ৰত চৰকাৰ, স্বেচ্ছাসেৱী সংগঠন, সচেতন ব্যক্তি সকলোৱে কৰণীয় আছে।

**প্ৰসংগ পুথি ঃ**

**English :**

1. The Directorate of Tourism, Nagaland, *Tour Guide Dimapur and Kohima,* Kohima, 2015
2. The Directorate of Tourism, Nagaland, *Nagaland Call of the Great Hornbill* Kohima, 2015
3. Directorate of Tourism, Nagaland, *Echoes of the Hill* Khomina, 2017